প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ

# ১২,০৫,৮২১ গৰাকী হিতাধিকাৰীলৈ শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেন্সন আঁচনিৰ অধীনত ৬২২০.৮৩ লাখ টকাৰ পেন্সন মুকলি

# বাকী থকা উপযুক্ত লোকক এই আঁচনিৰ সুবিধা ল'বলৈ আহ্বান মন্ত্ৰী নৱ দলেৰ

**গুৱাহাটী ২০ জুনঃ** দেশৰ ভিতৰতে ৰাজ্য চৰকাৰে নিজা পুঁজিৰে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত সাৰ্বজনীনভাৱে আৰম্ভ কৰা শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেন্সন আঁচনিৰ অধীনত এতিয়ালৈ ১২,০৫,৮২১গৰাকী হিতাধিকাৰী লাভান্বিত হৈছে। এই আঁচনিৰ অধীনত চলিত সপ্তাহত ৬২২০.৮৩লাখ টকাৰ পেন্সন মুকলি কৰি দিয়া হয়।

উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে নিজা পুঁজিৰে আৰম্ভ কৰা এই সাৰ্বজনীন আঁচনিখনৰ জৰিয়তে অন্য কোনো চৰকাৰী আঁচনিৰ অধীনত পেন্সন লাভ নকৰা ৬০ বছৰ বা ইয়াৰ ঊৰ্দ্ধৰ লোকসকলক প্ৰতিমাহে ২৫০ টকাকৈ পেন্সন প্ৰদান কৰা হয়। নগৰ-গাঁও অঞ্চলকে ধৰি সমগ্ৰ ৰাজ্যখনত থকা দৰিদ্ৰ সীমাৰেখাৰ তলৰ আৰু ওপৰৰ সকলো লোককে এই আঁচনিৰ অধীনত পেন্সন প্ৰদান কৰা হয়। এই আঁচনিৰ অধীনত পেন্সন লাভ কৰিবৰ বাবে বাকী থকা যোগ্য লোকসকলকো আগবাঢ়ি আহিবলৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী নৱ কুমাৰ দলেয়ে আহ্বান জনাইছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ বিশেষ উদ্যোগত আৰু বিভাগীয় মন্ত্ৰী দলেৰ তৎপৰতাত ১,৯৮,৮৫০গৰাকী হিতাধিকাৰী সামৰি এই আঁচনিখন ২০১৮ বৰ্ষৰ ২ অক্টোবৰত শুভাৰম্ভ কৰা হৈছিল।

*এম আৰ ডি/২০-০৬-২০২০*